# জাননী

ইয়াৰ দ্বাৰা সমূহ কৃষকৰ জ্ঞাতার্থে জনোৱা হয় যে, অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদৰ অধীনস্থ নিয়ন্ত্ৰিত বজাৰ সমিতিৰ দ্বাৰা তলত উল্লেখিত ১৮ টা কেন্দ্ৰত চলিত **খাৰিফ বিপণন বতৰত** নিম্নলিখিত গুণগত মানদণ্ড সম্পন্ন ধান ক্ৰয় কৰা হ'ব। জিলা উপায়ুক্ত বা তেখেতৰ অনুমোদিত বিষয়া বা মহকুমা কৃষি বিষয়াই দিয়া পৰিচয় পত্ৰ বা কৃষক প্ৰমানপত্ৰ থকা আৰু পঞ্জীয়নভুক্ত কৃষকৰ পৰাহে ধান ক্ৰয় কৰা হ'ব।

ধানৰ নির্দ্ধাৰিত মূল্য আৰু ভাৰত চৰকাৰৰ মেমো নং ৮-৪/২০১২- এচ এণ্ড আই, তাৰিখ ইং ০৬-০৮-২০১২ মৰ্ম্মে নিৰূপিত গুণগত মানদণ্ড ঃ-

ক) নিম্নতম ক্ৰয়মূল্য-

| ধানৰ শ্ৰেণী | | মূল্য (প্ৰতি কুইন্টলত) |
|---|---|---|
| ১) কমন্ (Common Paddy) | ঃ | ১২৫০ টকা |
| ২) গ্ৰেড এ (Grade A) | ঃ | ১২৮০ টকা |

খ) ধান পৰিষ্কাৰ, শুকান, পুৰঠ, উজ্জ্বল, একে ৰঙৰ, একে আকাৰৰ, দোষমুক্ত, পোকে নোখোৱা, দুৰ্গন্ধ নথকা, মাটি ও বালি নথকা হ'ব লাগিব।

গ) ধানৰ গুণগত মান নিৰূপক উপাদান সমূহৰ সৰ্ব্বোচ্চ পৰিমান (শতকৰা হিচাপত)-

| | |
|---|---|
| ১) বাহিৰা পদাৰ্থ ক) অজৈৱিক | ঃ ১.০% (তকৈ বেছি হ'ব নোৱাৰিব) |
| খ) জৈৱিক | ঃ ১.০% (তকৈ বেছি হ'ব নোৱাৰিব) |
| ২) পচাধান, পোকে খোৱা, ৰং সলনি হোৱা গজালি হোৱা ইত্যাদি | ঃ ৪.০% (তকৈ বেছি হ'ব নোৱাৰিব) |
| ৩) অপৈণত, পতনোৱা আদি | ঃ ৩.০% (তকৈ বেছি হ'ব নোৱাৰিব) |
| ৪) নিম্ন শ্ৰেণীৰ মিহলি হোৱা ধান | ঃ ৭.০% (তকৈ বেছি হ'ব নোৱাৰিব) |
| ৫) আৰ্দ্ৰতা (Moisture Content) | ঃ ১৭.০%(তকৈ বেছি হ'ব নোৱাৰিব) |

ঘ) ধান সংগ্ৰহ কেন্দ্ৰঃ-

১। খাৰুপেটীয়া, ২। কলাইগাঁও, ৩। গোগামুখ, ৪। মানকাচাৰ, ৫। ফৰকাটিং, ৬। বৰপথাৰ, ৭। মাধপুৰ, ৮। উপৰহালি, ৯। মালৈবাৰী, ১০। জয়মা, গোসাইগাঁও, ১১। জালুগুটি, ১২। ধিং, ১৩। ৰহা, ১৪। নীলবাগান, ১৫। নলবাৰী, ১৬। লালুক, ১৭। উত্তৰ লখিমপুৰ, ১৮। ঢেকীয়াজুলি

ঙ) ধানৰ বিক্ৰীমূল্য একাউন্ট পেয়ী চেক্ যোগেহে আদায় দিয়া হ'ব।

**ধান বিক্ৰীৰ বাবে ইচ্ছুক কৃষক, উৎপাদক সংস্থা, আত্ম সহায়ক গোট, ৰাজ্যিক সমবায় ফেডাৰেচন লিঃ-এ অহা ইং ১৫ ডিচেম্বৰ, ২০১২-ৰ পৰা ৩১ ডিচেম্বৰ, ২০১২ তাৰিখলৈ সংশ্লিষ্ট নিয়ন্ত্ৰিত বজাৰ সমিতিৰ কাৰ্য্যালয়ত নিজৰ নাম পঞ্জীয়নভুক্ত কৰিব লাগিব। ধান ক্ৰয়ৰ সময় আৰু তাৰিখ পৰৱৰ্তী সময়ত জনোৱা হ'ব।**

সবিশেষ জানিবৰ বাবে অসম ৰাজ্যিক কৃষি-সামগ্ৰী বিপণন পৰিষদৰ 'ধান ক্ৰয় কোষ' বা সংশ্লিষ্ট নিয়ন্ত্ৰিত বজাৰ সমিতিৰ সচিবৰ লগত যোগাযোগ কৰক।

---

অসম ৰাজ্যিক কৃষি-সামগ্ৰী বিপণন পৰিষদৰ তথ্য ও প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত